# কবিতাৰ অ আ ক খ

## চেনীৰাম গগৈ

সাধাৰণতে দেখা যায় যে নতুনকৈ কবিতা লিখা কবিসকলে প্ৰথমতে ছন্দ মিলোৱা পদ্য লিখে আৰু পাছলৈ আধুনিক কবিতাৰ জ্ঞান আহৰণ কৰি ক্ৰমে পৈণত হোৱাৰ চেষ্টা চলায়। তেওঁলোকে ভাষা আৰু শব্দৰ উপৰি কবিতাত ব্যৱহৃত প্ৰতীক, চিত্ৰকল্প, উপমা, বিৰোধাভাস ইত্যাদি নানান অনুষংগবোৰৰো গুৰুত্ব উপলব্ধি কৰে; জীৱনৰ শিক্ষা আৰু অভিজ্ঞতাক বৰ্তমানৰ প্ৰেক্ষাপটত থিয় কৰাই কবিতা লিখাৰ সাধনাত ব্ৰতী হয়। পাঠকক নিজৰ ফলীয়া কৰিবৰ কাৰণে পৰীক্ষা-নীৰিক্ষাৰ মাজেৰে কবিতা লিখি প্ৰকাশ কৰোতে কবিৰ মনলৈ অনেক দ্বিধা-সংকোচৰ ভাব আহে, কবিতাটোৰ ভাব-বস্তুৱে পাঠকৰ চেতনাক উজ্জীৱিত কৰিব পাৰিলেই কবিসকল সুখী হয় । এটা নিটোল, স্মৰণীয় কবিতা লিখাৰ স্বপ্নই কবিৰ জীৱন ।



আমাৰ নতুন কবিসকলে কবিতা পঢ়া আৰু লিখাৰ প্ৰতি আগ্ৰহী হয় ছাত্ৰাৱস্থাত পাঠ্যপুথিত পোৱা কবিতাবোৰ পঢ়ি। স্নাতক, স্নাতকোত্তৰৰ অসমীয়া পাঠ্যপুথিৰ এমুঠি কবিতাক কেন্দ্ৰ কৰিয়েই চলি আছে আমাৰ কবিতাৰ সৌৰজগত। পাঠ্যপুথিত নথকা কবিসকলৰ যেন নিজা পোহৰ নাই! কিন্তু কবিতাৰ এই সীমাবদ্ধ ক্ষেত্ৰৰ বাহিৰত থকা ন-পুৰণি কবিসকলৰ উৎকৃষ্ট কবিতাবোৰ নপঢ়িলে কবিতাৰ উৎকৰ্ষ সাধন হোৱাৰ আশা কম। গতানুগতিক, পাঠকবিমুখ অন্তৰ্মুখী যাত্ৰাৰে লিখা কবিতাৰ আয়ুস চুটি, এই ধৰণৰ কবিতাৰ সংখ্যা বৃদ্ধিয়ে ভাল কবিতাবোৰৰো গুৰুত্ব নোহোৱা কৰে। আমাৰ নতুন কবিসকলে সমগ্ৰ

অসমীয়া কবিতাৰ বিস্তৰ অধ্যয়ন আৰু সিবিলাকৰ ঐতিহাসিক পটভূমিৰ পৰা সমল আহৰণ কৰি আজিৰ চিন্তন-মননক জোঁকাৰি যোৱা কবিতা লিখাৰ কথা ভাবিব পাৰে।

আমাৰ নতুন কবিসকলে জানে যে কবিসকল শব্দ সতৰ্ক মানুহ। তেওঁলোক দেশ কাল ঐতিহ্য চেতনাৰে সমৃদ্ধ সত্যৰ উপাসক। শব্দই কবি এজনৰ ক'ব খোজা কথাখিনিক পাঠকৰ মাজলৈ নি সংক্ৰমিত কৰায়। শব্দই কবিতাৰ মূল পৰিবাহক, ঐশ্বৰ্যও। এটা শব্দ বা তাৰ বিকল্প শব্দবোৰৰ মাজৰ পৰা আটাইতকৈ যোগ্য, উপযুক্ত শব্দটোক বাছি লৈ যথাস্থানত বহুৱাব পৰাটোৱেই কবি এজনৰ কাৰিকৰী দক্ষতাৰ প্ৰমাণ হ'ব পাৰে। অতি প্ৰচলিত শব্দ এটাও দক্ষ কবিৰ হাতত পৰি নতুন হৈ পৰে; শব্দটোৱে লাভ কৰে অৰ্থৰ নতুন মাত্ৰা। কবিয়ে লিখা কবিতা এটাক মানসম্পন্ন কৰাৰ যি উচ্চতা, ভাব-বস্তুক সেই উচ্চতালৈ নিবৰ বাবেই কবিয়ে জুখি চায় শব্দবোৰৰ সামৰ্থ্যক। প্ৰতিজন কবিৰ প্ৰতিটো কবিতাৰে পাঠকৰ নিৰ্দিষ্ট টাৰ্গেট গ্ৰুপ থাকে আৰু তেওঁলোকক ঢুকি পোৱাৰ আকাংক্ষাই কবিজনৰ শব্দ সন্ধানত প্ৰভূত সহায় কৰে। পৃথিৱীৰ প্ৰতিজন যুগদ্ৰষ্টা কবিৰ ক্ষেত্ৰতে এই সত্য প্ৰযোজ্য। কবিসকলে শব্দৰ ব্যৱহাৰ কৰোতে সিহঁতৰ যোগ্যতা, আকাংক্ষা আৰু নৈকট্যৰ প্ৰতি লক্ষ্য ৰখা উচিত।

কবিতাত শব্দবোৰক ব্যৱহাৰ কৰাৰ কৌশল কবি অনুসৰি ভিন্ন হ'ব পাৰে। শব্দ এটাক আন এটা শব্দৰ আগত বা পিছত বহুৱাই নাইবা তাক শাৰীটোৰ অন্য ঠাইলৈ নি কবিতাটোক আঁটিল, ইংগিতময়, সুখপাঠ্য কৰাৰ অনুশীলন কৰিব পাৰি। এই বয়ন কাৰ্যৰ পুনঃপুনঃ কৰা অনুশীলনৰ সময়ত কবিয়ে তেওঁৰ পাঠকজনক সন্মুখত ৰাখি পৰীক্ষা কৰিব লাগে যাতে কবিতাটোত ব্যৱহৃত ভাষাৰ স্বৰ, ছন্দ, অৰ্থব্যঞ্জনাই তেওঁৰ প্ৰত্যাশাক পূৰণ কৰিব পাৰে। কবিতা এটা পৰিমাৰ্জিত ৰূপত মেদহীন, অৰ্থঘন হোৱাৰ অৱকাশ থাকে। কবিতা নিৰ্মাণৰ এই পৰ্বত কবিয়ে যেতিয়া গম পায় যে তেওঁ বিচৰা যথাৰ্থ শব্দবোৰ তেওঁৰ হাতত নাই, তেতিয়াই প্ৰতীক, চিত্ৰকল্প, উপমা, ৰূপক আদিৰ সহায় লৈ উদাহৰণৰ চিত্ৰায়নেৰে পাঠকৰ কাষ চাপিব খোজে। এনে কৰোতে কবি এজনে অদ্ভুত, দুৰ্বোধ্য কবিতাৰে পাঠকক বিমুখ কৰাৰ স্বাধীনতা থকা বুলি ভাবিব নালাগে। সচেতন কবিয়ে কবিতাত সততে ব্যৱহাৰ হোৱা প্ৰকৃতি জগতৰ আকাশ, তৰা, চৰাই, পথাৰ আদি শব্দবোৰ পৰিহাৰ কৰি নতুনকৈ প্ৰতীক, চিত্ৰকল্প তৈয়াৰ কৰে, বিজ্ঞান-প্ৰযুক্তিয়ে সলাই পেলোৱা আধুনিক পৃথিৱীখন হৈ পৰে তেওঁৰ কবিতাৰ নতুন জন্মভূমি।

কবিতা এটাৰ নিৰ্মাণকালত কবিয়ে কেৱল শব্দকেই নহয়, স্তবকবোৰকো অগা-পিছাকৈ সজাই চাব লাগে যে কবিতাটো কোনটো ফৰ্মত থাকিলে সৰ্বাংগ সুন্দৰ হৈ পাঠকৰ গ্ৰহণযোগ্য হৈ উঠিব। কবিতা এটাত কিছুমান শব্দ আৰু স্তৱক নাথাকিও থাকে, পৃষ্ঠভূমিত

লুকাই থাকিও সিহঁতে পাঠকক প্ৰৰোচিত কৰে। কবিতা সাঁখৰো নহয়, কুইজো নহয়, কিন্তু ই সঁচাকৈয়ে শব্দৰ আশ্বৰ্য নিৰ্মাণ। পৰীক্ষিত কবিতাবোৰ পগাই পগাই ঘন কৰা গাখীৰৰ দৰে, ঘন গাখীৰত কেইটামান চাউল অন্য উপাদেয় বস্তুৰ সৈতে সিজোৱা অকণমান সুগন্ধি পৰমান্নৰ দৰে, ক'ৰবাত এদিন খাই মনত থাকি যোৱা। মানুহৰ মনত থাকি যোৱা এটা বা দুটা কবিতাই কবি এজনক সময়ৰপৰা সময়লৈ টানি লৈ গৈ থাকে, জীবনানন্দৰ 'বনলতা সেন'ৰ নিচিনাকৈ।

নতুন বা পুৰণি প্ৰতিজন কবিয়েই নিজৰ এটা ফৰ্ম বা ষ্টাইল উদ্ভাবনৰ কাৰণে নিৰন্তৰ গৱেষণাত ৰত হ'ব লাগে। প্ৰাচীন অসমীয়া কবিতা, প্ৰচলিত লোক-সাহিত্য, চৌপাশৰ জনসাধাৰণৰ মুখে মুখে চলি থকা গীত-পদ, আনকি কথা-বতৰাবোৰ আত্মসাৎ কৰি এটা পৰিশোধিত বাকভংগী তৈয়াৰ কৰাটো কবিৰ দায়িত্ব। সাধাৰণ মানুহবোৰ কালক্ৰমত যিবোৰ সাংস্কৃতিক পৰম্পৰাত জীয়াই থাকি অভ্যস্ত, কবিতাই সেই পৰম্পৰাৰ বাটেৰে গৈ তেওঁলোকক সহজেই ঢুকি পাব পাৰে। আনক অনুকৰণ, অনুসৰণ কৰা কবিক পাঠকে নাকচ কৰে আৰু তেওঁলোকৰ কোনো নিজা আইডেণ্টিটিও নাথাকে। বহুতো সম্ভাবনা থকা কবিয়ে আনৰ কবিতাৰ প্ৰভাৱত পৰি নিজৰ কবিতা পাহৰি যায়, সাবধানীজনে তাৰ পৰা আঁতৰি আহি নিজে বাট কাটি উলিয়ায়। কেইবাজনো প্ৰতিষ্ঠিত অসমীয়া কবিয়ে স্বকীয় প্ৰকাশভংগীৰে লিখা কবিতাবোৰ চালে দেখা যায় যে তেওঁলোকৰ শব্দৰ লীৰিকেল মুখামুখি, অন্তঃমিল, ছন্দ পৰীক্ষা, শ্লেষ, ব্যংগ, কটাক্ষ ইত্যাদিবোৰৰ মৌলিক উপাদানবোৰ জনজীৱনৰ মাটিৰ পৰা তুলি অনা।

কবিতা এটাৰ আৰম্ভণিও এনে হোৱা উচিত যাতে পাঠকজনে কবিতাটো সম্পূৰ্ণকৈ পঢ়িবলৈ অনুপ্ৰাণিত হয়। গতানুগতিকভাবে কেজুৱেলি লিখা কবিতাৰ প্ৰথম দুশাৰী পঢ়িলেই পাঠক অসন্তুষ্ট হয় আৰু সেইবোৰ কবিতা সহজেই মৃত্যু মুখত পৰে। কবিতাৰ আৰম্ভণি নাটকীয় হ'ব পাৰে, আকস্মিক হ'ব পাৰে, চমক সৃষ্টি কৰা বাক্যাংশ হ'ব পাৰে। পাঠকজনে গম নোপোৱাকৈয়ে কবিয়ে তেওঁক নিজৰ ফালে ঢাল খুৱাই কবিতাটোৰ বিকাশৰ মাজেৰে সমাপ্তিৰ আনন্দদায়ক মুহূৰ্তটোলৈ লৈ যায়। কবি এজনে এনেকৈয়ে এজন এজনকৈ পাঠক সৃষ্টিৰ সচেতন প্ৰচেষ্টা চলাই এদিন এখন সংকলন উলিয়াব পৰা অবস্থা পায়হি আৰু লাহে লাহে তেওঁ হৈ পৰে জনপ্ৰিয় কবি, বিশিষ্ট কবি, ভাৰতীয় কবি ইত্যাদি। ( ২৩-০১-২৪ তাৰিখে চেপনত অনুষ্ঠিত হোৱা কবিতাৰ কৰ্মশালাত কোৱা কথাৰ আঁত ধৰি। )

**চেনীৰামগগৈ** এগৰাকী জ্যেষ্ঠ কবি আৰু বেংকৰ অৱৰসপ্ৰাপ্ত বিষয়া।